**অসম বিধান সভা**
**লিখিত প্ৰশ্ন নং- ৫২৪**
**উত্তৰ দিয়াৰ তাৰিখ-২৪/০৭/২০২৬**

**বিষয় :** VHG সকলৰ চাকৰি নিয়মীয়াকৰণ বা স্থায়ীকৰণৰ সম্পৰ্কে ।

শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, মাননীয় বিধায়ক ।

মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্তমান কিমানজন Village Health Guide (VHG) কৰ্মৰত হৈ আছে আৰু চৰাইদেউ জিলাত কিমানজন আছে ?

(খ) VHG সকলক বৰ্তমান কিমান মাননী প্ৰদান কৰা হয় আৰু মাননী বৃদ্ধিৰ কোনো প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে নেকি ?

(গ) দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াই অহা VHG সকলৰ চাকৰি নিয়মীয়াকৰণ বা স্থায়ীকৰণৰ ক্ষেত্ৰত চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ কৰিছে নেকি ?

(ঘ) VHG সকলৰ পেঞ্চন, বীমা বা অন্যান্য সুবিধা প্ৰদানৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা আছে নেকি ?

(ঙ) VHG সকলৰ সমস্যা সমাধান আৰু কল্যাণৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ?

**-উত্তৰ-**

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰী অশোক সিংহল মহোদয়ে উত্তৰ দিব ।

(ক) অসমত বৰ্তমান কোনো Village Health Guide (VHG) কৰ্মৰত হৈ থকা নাই। চৰাইদেউ জিলাতো বৰ্তমান কোনো Village Health Guide (VHG) কৰ্মৰত হৈ থকা নাই। Male Village Health Guide সকলক ১৯৮৬ চনত আৰু Female Village Health Guide সকলক ২০০২ চনত কৰ্মৰ পৰা অব্যাহতি দিয়া হৈছিল।

(খ) যিহেতু Village Health Guide (VHG) সকলক পূৰ্বেই কৰ্মৰ পৰা অব্যাহতি দিয়া হৈছে, সেয়েহে বৰ্তমান তেওঁলোকক কোনো মাননী প্ৰদান কৰা নহয়। গতিকে মাননী বৃদ্ধিৰ প্ৰস্তাবৰ প্ৰশ্ন নুঠে।

(গ) যিহেতু Village Health Guide (VHG) সকলক পূৰ্বেই কৰ্মৰ পৰা অব্যাহতি দিয়া হৈছে, সেয়েহে তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণ বা স্থায়ীকৰণৰ ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ কৰা প্ৰশ্ন নুঠে।

(ঘ) যিহেতু Village Health Guide (VHG) সকলক পূৰ্বেই কৰ্মৰ পৰা অব্যাহতি দিয়া হৈছে, সেয়েহে তেওঁলোকৰ বাবে পেঞ্চন, বীমা বা অন্যান্য সুবিধা প্ৰদানৰ কোনো পৰিকল্পনা চৰকাৰৰ অধীনত নাই।

(ঙ) উত্তৰ (ঘ) ৰ সৈতে একে ।

---০০০---

**বিঃ দ্ৰঃ -ওপৰোক্ত উত্তৰ ইতিমধ্যে NeVA Portal ত আপলোড কৰা হৈছে।**